অধ্যায় ১০ ঃ ভাৰতবৰ্ষত বিত্তীয় বজাৰৰ নিয়ন্ত্ৰণ

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য

১০.২ পৰিচয়

১০.৩ বিত্তীয় বজাৰৰ নিয়ন্ত্ৰণৰ ধাৰণা

১০.৪ বিত্তীয় বজাৰৰ নিয়ন্ত্ৰণৰ উদ্দেশ্য

১০.৫ ভাৰতীয় বিত্তীয় বজাৰৰ নিয়ন্ত্ৰকসমূহ

১০.৬ ভাৰতীয় ৰিজাৰ্ভ বেংক

- ১০.৬.১ ভাৰতীয় ৰিজাৰ্ভ বেংকৰ নিয়ন্ত্ৰণমূলক কাৰ্য

১০.৭ ভাৰতীয় প্ৰতিভূতি আৰু বিনিময় বোৰ্ড

- ১০.৭.১ ভাৰতীয় প্ৰতিভুতি আৰু বিনিময় বোৰ্ডৰ উদ্দেশ্য
- ১০.৭.২ ভাৰতীয় প্ৰতিভুতি আৰু বিনিময় বোৰ্ডৰ কাৰ্যাৱলী
- ১০.৭.৩ প্ৰতিভুতি চুক্তি (নীতি) আইন ১৯৫৬ৰ অধীনত ভাৰতীয় প্ৰতিভুতি আৰু বিনিময় বোৰ্ডৰ অতিৰিক্ত কাৰ্য
- ১০.৭.৪ ভাৰতীয় প্ৰতিভূতি আৰু বিনিময় বোৰ্ড আৰু প্ৰতিভুতি বজাৰৰ নিয়ন্ত্ৰণ

১০.৮ বীমা নিয়ন্ত্ৰণ আৰু উন্নয়ন প্ৰাধিকৰণ

- ১০.৮.১ বীমা নিয়ন্ত্ৰণ আৰু উন্নয়ন প্ৰাধিকৰণৰ ক্ষমতা আৰু কাৰ্যৱলী

১০.৯ পেঞ্চন পুঁজি নিয়ন্ত্ৰণ আৰু উন্নয়ন প্ৰাধিকৰণ

- ১০.৯.১ PFRDA ৰ কাৰ্য আৰু ক্ষমতা

১০.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১০.১১ অধিক জানিবলৈ

১০.১২ অগ্ৰগতিৰ খতিয়ান

১০.১৩ আৰ্হি প্ৰশ্ন

১০.১ উদ্দেশ্য (LEARNING OBJECTIVES)

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- বিত্তীয় বজাৰৰ নিয়ন্ত্ৰণৰ ধাৰণাৰ বিষয়ে আলোচনা কৰিব পাৰিব
- বিত্তীয় বজাৰৰ নিয়ন্ত্ৰণৰ উদ্দেশ্য জানিব পাৰিব
- ভাৰতীয় বিত্তীয় বজাৰৰ বিভিন্ন নিয়ন্ত্ৰকসমূহৰ বিষয়ে আলোচনা কৰিব পাৰিব
- ভাৰতীয় বিত্তীয় বজাৰৰ নিয়ন্ত্ৰণৰ বাবে লোৱা বিভিন্ন পদক্ষেপসমূহ আলোচনা কৰিব পাৰিব।

১০.২ পৰিচয় (INTRODUCTION)

বিংশ শতিকাৰ শেষৰ ফালে হোৱা এক গুৰুত্বপূৰ্ণ পৰিৱৰ্তন হ'ল বিশ্বব্যাপি হোৱা বিত্তীয় বজাৰৰ সম্প্ৰসাৰণ, যিটো হৈছিল গোলকীকৰণ, প্ৰযুক্তিবিদ্যাৰ উন্নয়ন, উদ্ভাৱন আৰু ব্যৱসায়ৰ বৰ্দ্ধিত পৰিমাণৰ বাবে। ভাৰতবৰ্ষত এক বৃহৎ সংখ্যক তালিকাভুক্ত কোম্পানী, এক বৃহৎ পৰিমাণৰ বিনিয়োগকাৰী আৰু বৰ্দ্ধিত পৰিমাণৰ ব্যৱসায়ৰ সৈতে ভাৰতবৰ্ষও ইয়াৰ ব্যতিক্ৰম নহয়। যিহেতু অৰ্থনীতি এখনৰ উন্নয়ন প্ৰত্যক্ষভাৱে বিত্তীয় বজাৰৰ উন্নয়নৰ লগত জড়িত সেয়েহে অৰ্থনীতিখনত বিত্তীয় নীতি কিমান ফলপ্ৰসূ হ'ব সেয়া নিৰ্ভৰ কৰে বিত্তীয় বজাৰৰ কাৰ্যৰ ওপৰত। এখন সু-সংহত বিত্তীয় বজাৰে বিনিয়োগকাৰীৰৰ মনোবল বৃদ্ধি কৰে আৰু সম্ভাব্য শংকাৰ পৰা মুক্তি দিয়ে।

ভাৰতবৰ্ষত বিত্তীয় বজাৰৰ পৰিদৰ্শন আৰু নিয়ন্ত্ৰণ কৰাৰ বাবে বিভিন্ন কৰ্তৃপক্ষ আছে। ভাৰতীয় ৰিজাৰ্ভ বেংকে ভাৰতীয় বিত্তীয় ব্যৱস্থাৰ এক বৃহৎ অংশ নিয়ন্ত্ৰণ কৰে। বাণিজ্যিক বেংক, নগৰীয়া সমবায় বেংক, অনা-বেংকিং বিত্তীয় অনুষ্ঠান, ৰিজাৰ্ভ বেংকে পৰিদৰ্শন কৰে। আকৌ কিছুমান বিত্তীয় প্ৰতিষ্ঠানে বিত্তীয় ক্ষেত্ৰৰ অন্য কিছুমান প্ৰতিষ্ঠানক নিয়ন্ত্ৰণ আৰু পৰিদৰ্শন কৰে। উদাহৰণস্বৰূপে গ্ৰাম্য বেংক আৰু সমবায় বেংক সমূহক ৰাষ্ট্ৰীয় কৃষি আৰু গ্ৰাম্য উন্নয়ন বেংকে (NABARD) পৰিচালনা কৰে, গৃহ ঋণ কোম্পানীসমূহ ৰাষ্ট্ৰীয় গৃহ বেংক (NHB) য়ে নিয়ন্ত্ৰণ কৰে। ভাৰত চৰকাৰৰ কোম্পানী চোৱা চিতা কৰা বিভাগৰ (DCA) কোম্পানী আইনৰ অধীনত পঞ্জীকৃত হৈ থকা অনা-বেংকিং কোম্পানীসমূহৰ বাহিৰে অন্য অনা-বেংকিং কোম্পানীসমূহে আৰু সাধাৰণ কোম্পানীয়ে টকা জমা লোৱা কাম-কাজসমূহ চোৱা চিতা কৰে। এখন ৰাজ্যৰ সমবায় বেংকসমূহ নিৰ্দিষ্ট ৰাজ্যৰ সমবায় পঞ্জীয়ক আৰু এখনতকৈ বেছি ৰাজ্যৰ সংযুক্ত সমবায়সমূহ ৰাজ্যিক পঞ্জীয়ক আৰু কেন্দ্ৰীয় চৰকাৰ লগ হৈ পৰিচালনা কৰে, নগৰীয়া সমবায় সমিতিসমূহ ৰিজাৰ্ভ বেংকে আৰু গ্ৰাম্য সমবায় সমিতিসমূহক NABARD য়ে নিয়ন্ত্ৰণ কৰে। NABARD আৰু ৰিজাৰ্ভ বেংকে সমবায় বেংকসমূহৰ বেংকিং কাৰ্যৰ চোৱা চিতা কৰে আৰু পৰিচালনা আৰু নিয়ন্ত্ৰণ কেন্দ্ৰীয় তথা ৰাজ্য চৰকাৰৰ হাতত ন্যস্ত থাকে। এই দ্বৈত নিয়ন্ত্ৰণে সমবায়বেংকৰ পৰিদৰ্শন আৰু নিয়ন্ত্ৰণ প্ৰভাবিত কৰে।

মূলধনী বজাৰ, যৌথ পুঁজি আৰু অন্যান্য মূলধনী বজাৰৰ প্ৰতিষ্ঠানসমূহ ভাৰতীয় প্ৰতিভূতি বিনিময় কেন্দ্ৰ (SEBI) আৰু বীমা প্ৰতিষ্ঠানসমূহ ভাৰতীয় বীমা নিয়ন্ত্ৰণ আৰু উন্নয়ন প্ৰাধিকৰণ (IRDA) য়ে নিয়ন্ত্ৰণ কৰে। পেঞ্চন পুঁজি নিয়ন্ত্ৰণ আৰু উন্নয়ন প্ৰাধিকৰণে পেঞ্চন পুঁজি নিয়ন্ত্ৰণ কৰে। ভাৰতবৰ্ষত বিত্তীয় নিয়ন্ত্ৰণৰ স্থাপত্যৰ এক ইতিহাস আছে। বৰ্তমান ৰিজাৰ্ভ বেংক, ভাৰতীয় প্ৰতিভুতি আৰু বিনিময় বোৰ্ড, বীমা নিয়ন্ত্ৰণ আৰু উন্নয়ন প্ৰাধিকৰণ আৰু পেঞ্চন পুঁজি নিয়ন্ত্ৰণ আৰু উন্নয়ন প্ৰাধিকৰণৰ বৰ্তমান কৰ্ম বিন্যাস সুপৰিকল্পিত নহয়, এইবোৰ সৃষ্টি হৈছে এক দীৰ্ঘকালীন সময়ৰ অন্তত আৰু কিছুমান বিশেষ পৰিস্থিতিৰ চাপত। প্ৰত্যেক নিয়ন্ত্ৰকৰে সেৱা আৰু উৎপাদন যোগানকাৰীসকলক নিয়ন্ত্ৰণ কৰিবলৈ নিজা নিজা নীতি-নিয়ম, কমিছন, মাচুল

ইত্যাদি আছে। অম'বডছমান (ombudsman) সেৱাৰ যোগেদি ৰিজাৰ্ভ বেংক, ভাৰতীয় প্ৰতিভুতি আৰু বিনিময় বোৰ্ড আৰু বীমা নিয়ন্ত্ৰণ আৰু উন্নয়ন প্ৰাধিকৰণে বিভিন্ন অভিযোগ নিষ্পতি কৰে। বিনিয়োগকাৰীসকলৰ স্বাৰ্থ সুৰক্ষিত কৰিবলৈ আৰু মূলধনী বজাৰৰ উন্নতিৰ বাবে ১৯৯২ চনত ভাৰতীয় প্ৰতিভুতি বিনিময় কেন্দ্ৰ আইনৰ অধীনত ভাৰতীয় প্ৰতিভুতি আৰু বিনিময় বোৰ্ড স্থাপন কৰা হৈছে। ইয়াৰ কাম হৈছে প্ৰতিভুতি বিনিময় কেন্দ্ৰৰ কাম-কাজ নিয়ন্ত্ৰণ কৰা, প্ৰতিভুতি বজাৰৰ দালাল, অংশ হস্তান্তৰ অভিকৰ্তা, মাৰ্চেণ্ট বেংকাৰ, আণ্ডাৰ ৰাইটাৰ ইত্যাদিক পৰিদৰ্শন কৰা আৰু প্ৰতিভুতি বজাৰৰ অবৈধ লেন-দেন বন্ধ কৰা।

১০.৩ বিত্তীয় বজাৰৰ নিয়ন্ত্ৰণৰ ধাৰণা (CONCEPT OF REGULATION OF FINANCIAL MARKET)

বিত্তীয় বজাৰৰ কাম-কাজসমূহ বিভিন্ন আইনৰ দ্বাৰা নিয়ন্ত্ৰীত হয়— সেইবোৰৰ ভিতৰত আছে অধিনিয়ম, নিৰ্দেশাৱলী, নীতি, প্ৰচাৰ পত্ৰ ইত্যাদি। বিত্তীয় বজাৰ নিয়ন্ত্ৰণ কৰা আইনসমূহ বুজি উঠিলে ভাৰতীয় বিত্তীয় বজাৰ কিদৰে নিয়ন্ত্ৰিত হয় তাৰ বিষয়ে এক ধাৰণা গঢ় লৈ উঠিব। বিত্তীয় বজাৰ নিয়ন্ত্ৰকসকলে বিত্তীয় বজাৰৰ অংশগ্ৰহণকাৰীসকলৰ বাবে নিৰ্দিষ্ট কিছুমান নীতি-নিয়ম তৈয়াৰ কৰি দিয়ে। বিত্তীয় বজাৰৰ প্ৰযুক্তিবিদ্যাৰ পৰিৱৰ্তন, উদাৰীকৰণ আৰু সংহতিকৰণৰ সময়ত এই নীতি-নিয়মসমূহ যথেষ্ট গুৰুত্বপূৰ্ণ।

১০.৪ বিত্তীয় বজাৰৰ নিয়ন্ত্ৰণৰ উদ্দেশ্যসমূহ (OBJECTIVES OF FINANCIAL MARKET REGULATION)

বিত্তীয় বজাৰৰ নিয়ন্ত্ৰণৰ উদ্দেশ্যসমূহ তলত দিয়া হ'ল—

(ক) বিত্তীয় সেৱাৰ গ্ৰাহকসমূহৰ আৰু বিনিয়োগকাৰীসকলৰ স্বাৰ্থ সুৰক্ষিত কৰা।

(খ) বিত্তীয় ব্যৱস্থাৰ সুস্থিৰতা নিশ্চিত কৰা।

(গ) বিত্তীয় ব্যৱস্থাৰ প্ৰবঞ্চনামূলক কাম-কাজসমূহৰ পৰিমাণ হ্ৰাস কৰা।

(ঘ) সৰু বিনিয়োগকাৰীসকলক বিত্তীয় বজাৰত বিনিয়োগ কৰিবলৈ উৎসাহী কৰা।

(ঙ) বিত্তীয় লেন-দেনসমূহ সহজ-সৰল কৰা।

১০.৫ ভাৰতীয় বিত্তীয় বজাৰৰ নিয়ন্ত্ৰকসমূহ (REGULATORS OF INDIAN FINANCIAL MARKET)

ভাৰতবৰ্ষত প্ৰত্যেকটো বিত্তীয় সেৱা একো একোটা নিয়ন্ত্ৰকে নিয়ন্ত্ৰণ কৰে। তলৰ তালিকাখনৰ পৰা আমি কোনে কি নিয়ন্ত্ৰণ কৰে তাৰ এটি আভাস পাম—

নিয়ন্ত্ৰক	বিত্তীয় সেৱা আৰু আঁচনি
ভাৰতীয় ৰিজাৰ্ভ বেংক	স্থায়ী জমা আৰু অন্যান্য বেংকিং পণ্য আৰু সেৱা।
ভাৰতীয় প্ৰতিভুতি আৰু বিনিময় বোৰ্ড	মূলধনী বজাৰ আৰু মূলধনী বজাৰৰ মধ্যস্থতাকাৰীসকলৰ সেৱাসমূহ।
ভাৰত চৰকাৰ	ক্ষুদ্ৰ সঞ্চয় আঁচনি
বীমা নিয়ন্ত্ৰণ আৰু উন্নয়ন প্ৰাধিকৰণ	বীমা
পেঞ্চন পুঁজি নিয়ন্ত্ৰণ আৰু উন্নয়ন প্ৰাধিকৰণ	নতুন পেঞ্চন আঁচনি

১০.৬ ভাৰতীয় ৰিজাৰ্ভ বেংক (RESERVE BANK OF INDIA)

ভাৰতীয় ৰিজাৰ্ভ বেংক হৈছে বাণিজ্যিক বেংকসমূহৰ মুখ্য নিয়ন্ত্ৰক। ভাৰতীয় ৰিজাৰ্ভ বেংক আইন ১৯৩৪ আৰু বেংকিং ৰেগুলেচন আইনে বেংকিং ব্যৱস্থাটো নিয়ন্ত্ৰণ কৰা কাৰণে ভাৰতীয় ৰিজাৰ্ভ বেংকক যথেষ্ট ক্ষমতা প্ৰদান কৰিছে। এই আইনৰ অধীনত ৰিজাৰ্ভ বেংকে অনুজ্ঞাপত্ৰৰ যোগেদি বেংক ব্যৱসায়ত প্ৰৱেশ নিয়ন্ত্ৰণ কৰে, অংশধাৰকসকলৰ অংশ ধাৰণ আৰু ভোটিং ক্ষমতা নিয়ন্ত্ৰণ কৰে আৰু কিছুমান কাম কৰিবলৈ বাধা দি বেংকসমূহৰ ব্যৱসায় নিয়ন্ত্ৰণ কৰে। Bank for International Settlement-এ নিৰ্ধাৰণ কৰা পৰ্যাপ্ত মূলধনৰ মান, সম্পত্তিৰ শ্ৰেণী বিভাজন, আয়ৰ মান্যতা, পৰিচালনাৰ মান, দক্ষতা, তাৰল্য আৰু নিৰীক্ষণ আদিৰ যি আন্তঃৰাষ্ট্ৰীয় মান ধৰি দিছে সেই মান ৰক্ষা কৰিবৰ বাবে মাজে সময়ে নিৰ্দেশনা দিয়ে। সুদৰ হাৰ, ধনৰ সীমা, বিনিয়োগৰ সীমা আৰু অন্যান্য ক্ষেত্ৰত নিৰ্দেশনা দি অন্য বেংকৰ কাম-কাজ নিয়ন্ত্ৰণ কৰে। ভাৰতীয় ৰিজাৰ্ভ বেংকক নিৰ্দিষ্ট সময়ৰ মুৰে মুৰে বেংকসমূহৰ পৰিদৰ্শন কৰিব আৰু প্ৰয়োজনীয় তথ্য বিচাৰিবলৈ ক্ষমতা প্ৰদান কৰা হৈছে।

ভাৰতীয় ৰিজাৰ্ভ বেংক (বিত্তীয় তদাৰক বোৰ্ড) নীতি, ১৯৯৪ৰ অধীনত এখন সুকীয়া বিত্তীয় তদাৰক বোৰ্ড গঠন কৰা হৈছিল। এই বোৰ্ডৰ উদ্দেশ্য হৈছে বিত্তীয় ব্যৱস্থাৰ ওপৰত তদাৰক আৰু নিৰীক্ষণ শক্তিশালী কৰা আৰু পৰিদৰ্শন নীতি আৰু শৈলীৰ ওপৰত চোকা দৃষ্টি ৰখা। এইখন বোৰ্ডে বেংক আৰু অনা বেংকিং বিত্তীয় প্ৰতিষ্ঠানসমূহ সাঙুৰি লয়।

১০.৬.১ ভাৰতীয় ৰিজাৰ্ভ বেংকৰ নিয়ন্ত্ৰণমূলক কাৰ্য

ৰিজাৰ্ভ বেংকৰ নিয়ন্ত্ৰণ আৰু পৰিদৰ্শনমূলক কাম-কাজবোৰ তলত দিয়া ধৰণৰ—

(ক) অনুজ্ঞাপত্ৰ প্ৰদানৰ ক্ষমতা ঃ ভাৰতবৰ্ষত বেংক ব্যৱসায় কৰিবলৈ ভাৰতীয় ৰিজাৰ্ভ বেংকে অনুজ্ঞাপত্ৰ দিয়ে। নতুন বেংক, নতুন শাখা খুলিবলৈ পুৰণা বেংকক, সম্প্ৰসাৰণ শাখা আনকি শাখা বন্ধ কৰিবলৈও অনুজ্ঞাপত্ৰ প্ৰদান কৰে।

(খ) **বেংকিং বোর্ড বা ব্যক্তিক নিয়োগ কৰা বা অপসাৰণ কৰাৰ ক্ষমতা ঃ** ১৯৬৩ চন এক সংশোধন অনুসৰি ব্যক্তিৰ গোটে নিয়ন্ত্রণ কৰি থকা বেংকক কাবু কৰিবলৈ গৈ আৰু বেংকৰ ঋণদান বা প্রত্যাভুতি প্রদান কার্যক নিয়ন্ত্রণ কৰিবলৈ ৰিজার্ভ বেংকক ক্ষমতা প্রদান কৰে। ই বেংকৰ বিষয়াসকলক নিযুক্তি আৰু অপসাৰণৰ ক্ষেত্রটো ৰিজার্ভ বেংকক অতিৰিক্ত ক্ষমতা প্রদান কৰে। কেন্দ্রীয় চৰকাৰৰ সৈতে আলোচনা কৰি ৰিজার্ভ বেংকে কোনো বেংকৰ সঞ্চালক মণ্ডলীক অপসাৰিত কৰিব পাৰে আৰু এজন প্রশাসক নিযুক্তি দিব পাৰে। ৰিজার্ভ বেংকৰ অনুমোদন অনুসৰি কেন্দ্রীয় চৰকাৰে কোনো ৰাষ্ট্রীয়কৃত বেংকৰ ভাৰতীয় ষ্টেট বেংক আৰু ইয়াৰ গৌণ বেংকসমূহৰ সঞ্চালক মণ্ডলীক অপসাৰণ কৰিব পাৰে আৰু বিশেষ পৰিস্থিতিত প্রশাসক নিযুক্তি দিব পাৰে।

(গ) **বেংকিং ব্যৱসায় নিয়ন্ত্রণ কৰাৰ ক্ষমতা ঃ** ভাৰতীয় ৰিজার্ভ বেংক আইনে ৰিজার্ভ বেংকক বিত্তীয় ক্ষেত্রৰ লগত জড়িত বিভিন্ন বিষয়ক লৈ নীতি নির্দেশনা, নিয়মাৱলী জাৰি কৰাৰ অধিকাৰ প্রদান কৰিছে।

(ঘ) **বেংকক নির্দেশনা দিয়াৰ ক্ষমতা ঃ** ভাৰতত ব্যৱসায় কৰা বেংকসমূহক, তেওঁলোকৰ কাম-কাজৰ ওপৰত নির্দেশনা দিয়াৰ ক্ষমতা আছে। ভাৰতীয় ৰিজার্ভ বেংক আইনৰ মতে প্রত্যেক বেংকে ৰিজার্ভ বেংকৰ নির্দেশনা পালন কৰাটো বাধ্যতামূলক।

(ঙ) **বেংকৰ নিৰীক্ষণ আৰু পৰিদর্শন কৰাৰ ক্ষমতা ঃ** ৰিজার্ভ বেংকে নিজে বা কেন্দ্রীয় চৰকাৰৰ নির্দেশত যিকোনো বেংকত তাৰ হিচাপ বহীৰ নিৰীক্ষণ আৰু পৰিদর্শন চলাব পাৰে। ৰিজার্ভ বেংকে পৰিদর্শন প্রতিবেদনৰ এটা প্রতিলিপি সংশ্লিষ্ট বেংকটোক দিয়ে।

(চ) **বেংকৰ হিচাপ নিৰীক্ষণ কৰাৰ ক্ষমতা ঃ** ৰাজহুৱা স্বার্থত বা বেংকৰ স্বার্থত ৰিজার্ভ বেংকে যেতিয়াই প্রয়োজন অনুভৱ কৰে তেতিয়াই যিকোনো লেন-দেন বা কোনো এক নির্দিষ্ট সময়ৰ লেন-দেনৰ বিশেষ হিচাপ নিৰীক্ষণৰ আদেশ দিব পাৰে। উক্ত হিচাপ নিৰীক্ষণৰ বাবে আইন অনুসৰি কোনো অর্হতাসম্পন্ন ব্যক্তিক বা বেংকটোৰ হিচাপ পৰীক্ষকক নিযুক্তি দিব পাৰে। হিচাপ নিৰীক্ষকজনে ৰিজার্ভ বেংকৰ নির্দেশনা অনুসৰি দায়িত্ব পালন কৰিব লাগিব আৰু হিচাপ পৰীক্ষণৰ প্রতিবেদন ৰিজার্ভ বেংকক দিব লাগিব।

(ছ) **সাময়িকভাৱে ব্যৱসায় বন্ধৰ আদেশ দিয়া, ব্যৱসায় সংযোজন কৰা আৰু ব্যৱসায় বন্ধ কৰাৰ অধিকাৰ ঃ** ৰিজার্ভ বেংকে কোনো বেংকৰ ব্যৱসায় বন্ধ কৰিবৰ বাবে উচ্চ ন্যায়ালয়ত আৱেদন কৰিব পাৰে যাৰ ওপৰত ভিত্তি কৰি ন্যায়ালয়ে বেংকৰ ব্যৱসায় সাময়িকভাৱে স্থগিত ৰখাৰ নির্দেশ দিব পাৰে।

(জ) **কার্যৱলীৰ আৰু হিচাপ ৰক্ষণৰ মান ধার্য কৰা ঃ** হিচাপ ৰক্ষণৰ পৰিৱর্তীত

পটভূমিৰ লগত খাপ খুৱাই চলিবলৈ ৰিজাৰ্ভ বেংকে ভাৰতবৰ্ষত ব্যৱসায় চলাই থকা বেংকসমূহৰ বাবে হিচাপ ৰক্ষণ আৰু কাৰ্যৱলীৰ মান নিৰ্ধাণৰ কৰি দিব পাৰে।

(ঝ) **ঋণ সম্পৰ্কীয় তথ্য বিচৰাৰ ক্ষমতা ঃ** ৰিজাৰ্ভ বেংকে প্ৰয়োজন অনুসৰি সময়ে সময়ে বেংকসমূহৰ পৰা ঋণ সম্পৰ্কীয় তথ্যৰ বিবৃতি বিচাৰিব পাৰে।

(ঞ) **জৰিমনা বিহাৰ অধিকাৰ ঃ** ভাৰতবৰ্ষত ব্যৱসায় চলাই থকা কোনো বেংকে দেশত প্ৰচলিত কোনো বেংকিং আইনৰ ধাৰা উলংঘা কৰিলে ৰিজাৰ্ভ বেংকে জৰিমনা বিহিব পাৰে। শেহতীয়াকৈ তথ্য প্ৰযুক্তি আইনে ২০০০ অধীনত ৰিজাৰ্ভ বেংকক বেংক আৰু বিত্তীয় প্ৰতিষ্ঠানৰ আদায় ব্যৱস্থা নিয়ন্ত্ৰণ কৰিবলৈ নীতি প্ৰৱৰ্তন কৰা হৈছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ বিত্তীয় নিয়ন্ত্ৰণৰ দুটা উদ্দেশ্য উল্লেখ কৰা।

.....

.....

প্ৰশ্ন নং ২ঃ ৰিজাৰ্ভ বেংকৰ দুটা নিয়ন্ত্ৰণমূলক কাম উল্লেখ কৰক।

.....

.....

১০.৭ ভাৰতীয় প্ৰতিভূতি বিনিময় কেন্দ্ৰ (SECURITIES AND EXCHANGE BOARD OF INDIA)

১৯৮৮ চনৰ ১২ এপ্ৰিল তাৰিখে এখন সুস্থ প্ৰতিভুতি বজাৰ প্ৰতিষ্ঠা কৰিবলৈ আৰু বিনিয়োগকাৰীসকলক সুৰক্ষা প্ৰদান কৰিবলৈ ১৯৮৮ চনৰ ১২ চনৰ ভাৰতীয় প্ৰতিভুতি আৰু বিনিময় বোৰ্ড স্থাপন কৰা হৈছিল। পিছলৈ ১৯৯২ চনৰ ভাৰতীয় প্ৰতিভুতি আৰু বিনিময় বোৰ্ড আইন অনুসৰি ৩০ জানুৱাৰী ১৯৯২ৰ পৰা ইয়াক মূলধনী বজাৰ নিয়ন্ত্ৰণ কৰিবলৈ আইনী ক্ষমতা অৰ্পণ কৰা হয়।

ভাৰতীয় প্ৰতিভুতি আৰু বিনিময় বোৰ্ড (SEBI) স্থাপন কৰাৰ কাৰণ আছিল যে আগতে ১৯৫৬ চনৰ প্ৰতিভুতি চুক্তি (নীতি) আইন, ১৯৪৭ চনৰ মূলধন বিলি (নীতি) আইন ইত্যাদি প্ৰতিভুতি বজাৰৰ নিয়ন্ত্ৰণৰ ধাৰাসমূহ সিঁচৰিত হৈ আছিল। ৮০ৰ দশকত ভাৰতীয় প্ৰতিভুতি বজাৰৰ এক উত্থান ঘটে বিশেষকৈ বহুতো লোকে প্ৰতিভুতি বজাৰত বিনিয়োগ আৰম্ভ কৰে। বিনিয়োগকাৰীৰ সংখ্যা অধিক হোৱা বাবে আৰু বজাৰৰ বৃদ্ধিৰ বাবে কোম্পানী, অভিকৰ্তা, মাৰ্চেণ্ট বেংকাৰ, বিনিয়োগ পৰামৰ্শদাতা ইত্যাদিয়ে বিভিন্ন ধৰণৰ কাৰচাজি আৰম্ভ কৰে। এনেধৰণৰ

কাৰচাজিৰ উদাহৰণসমূহ হ'ল স্বয়ম্ভু মার্ছেণ্ট বেংকাৰ, নীতি বর্হিভূত ব্যক্তিগত প্লেচমেণ্ট, নিজৰ পচন্দমতে প্রতিভুতিৰ দৰ ঠিক কৰা, নীতি বর্হিভুতভাৱে নতুন বিলিৰ ঊনহাৰ ঠিক কৰা, কোম্পানী আইনৰ ধাৰা উলংঘা, প্রতিভুতি আৰু বিনিময় বোর্ডৰ নীতি নিয়ম নমনা, অংশ বিলিত পলম কৰা ইত্যাদি। এনেধৰণৰ কার্যকলাপ বিনিয়োগকাৰী সকলৰ মনোভাব দুর্বল কৰে আৰু ওজৰ আপত্তিৰ সংখ্যা বঢ়াই। উপযুক্ত আইনী ব্যৱস্থা নথকাত বিনিয়োগকাৰীৰ অসুবিধা দূৰ কৰাৰ চৰকাৰ আৰু প্রতিভুতি আৰু বিনিময় বোর্ড বিফল হৈছিল। উপৰোক্ত অসুবিধাসমূহ দূৰ কৰিবলৈ ভাৰতৰ কেন্দ্রীয় চৰকাৰে ভাৰতীয় প্রতিভুতি আৰু বিনিময় বোর্ড স্থাপন কৰিছিল।

১০.৭.১ ভাৰতীয় প্রতিভুতি আৰু বিনিময় বোর্ডৰ উদ্দেশ্য

ভাৰতীয় প্রতিভুতি আৰু বিনিময় বোর্ডৰ প্রধান উদ্দেশ্য হ'ল বিনিয়োগকাৰীৰ স্বার্থ সুৰক্ষিত কৰা আৰু প্রতিভুতি বজাৰৰ উন্নতি সুনিশ্চিত কৰা। যিবোৰ তলত দিয়া ধৰণে আলোচনা কৰিব পাৰি—

(ক) প্রতিভুতি আৰু বিনিময় কেন্দ্রসমূহৰ কার্যকলাপ নিয়াৰিকৈ সম্পন্ন কৰাৰ অর্থে ইয়াক নিয়ন্ত্রণ কৰা।

(খ) বিনিয়োগকাৰীসকলৰ স্বার্থ আৰু অধিকাৰ সুনিশ্চিত কৰা, বিশেষকৈ ব্যক্তিগত বিনিয়োগকাৰীসকলক পথ প্রদর্শন আৰু প্রতিভুতি বজাৰ সম্পর্কে শিক্ষাদান কৰা।

(গ) লেন-দেন সম্পর্কীয় কাৰচাজিসমূহ দূৰ কৰা।

(ঘ) বিভিন্ন মধ্যভোগী যেনে, দালাল, মার্ছেণ্ট বেংকাৰ ইত্যাদিক উপযোগী আৰু পেশাদাৰী কৰিবৰ বাবে কর্মৰ মান আৰু ন্যায় সংগত কার্যকলাপ নির্ধাৰণ কৰা।

১০.৭.২ ভাৰতীয় প্রতিভুতি আৰু বিনিময় বোর্ডৰ কার্যাৱলী

ভাৰতবর্ষত প্রতিভূতি বজাৰৰ উত্থানৰ প্রতি লক্ষ্য ৰাখি ভাৰতীয় প্রতিভুতি আৰু বিনিময় বোর্ডক প্রতিভুতি বজাৰ নিয়ন্ত্রণ আৰু উন্নয়নৰ দায়িত্ব দিয়া হৈছে। ইয়াৰ কিছুমান সংৰক্ষণমূলক কাম-কাজও আছে। সেইবোৰ তলত উল্লেখ কৰা হ'ল—

নিয়ন্ত্রণমূলক কার্য

(ক) প্রতিভুতি বজাৰৰ দালাল, উপদালাল আৰু অন্যান্য মধ্যভোগীসকলৰ পঞ্জীয়ন কৰা।

(খ) সমূহীয়া বিনিয়োগ আঁচনি আৰু যৌথ পুঁজিসমূহৰ পঞ্জীয়ন।

(গ) প্রতিভুতি দালাল, পোর্টফ'লিও পৰিচালক, আনডাৰৰাইটাৰচ্ আৰু মার্ছেণ্ট বেংকাৰসমূহক আৰু তেওঁলোকৰ কাম-কাজ নিয়ন্ত্রণ কৰা।

(ঘ) কোম্পানীসমূহৰ অধিগ্রহণ সম্পর্কীয় ডাকসমূহৰ নিয়ন্ত্রণ কৰা।

(ঙ) প্ৰতিভুতি কেন্দ্ৰ আৰু মধ্যস্থতাকাৰীসমূহৰ নিৰীক্ষণ, অনুসন্ধান আৰু হিচাপ পৰীক্ষণ কৰিবলৈ তথ্য বিচৰা।

(চ) আইন কাৰ্যকৰী কৰাৰ বাবে উপযুক্ত পৰিমাণৰ মাচুল বা অন্যান্য কৰ আৰোপ কৰা।

(ছ) কেন্দ্ৰীয় চৰকাৰে প্ৰদান কৰা প্ৰতিভুতি চুক্তি (নীতি) আইন ১৯৫৬ৰ যিকোনো ধাৰা অধীনত যিকোনো ক্ষমতা আৰু কাৰ্য পালন কৰা।

উন্নয়নমূলক কাম-কাজ

(ক) প্ৰতিভুতি বজাৰৰ মধ্যভোগীসকলক প্ৰশিক্ষণ প্ৰদান কৰা।

(খ) বজাৰসমূহ অংশগ্ৰহণকাৰীৰ সুবিধা হোৱাকৈ গৱেষণা কৰা আৰু সকলো তথ্য প্ৰকাশ কৰা।

(গ) নমনীয় নীতিৰ দ্বাৰা মূলধনী বজাৰৰ উন্নতিৰ পদক্ষেপ লোৱা।

সু�ৰক্ষামূলক কাৰ্য

(ক) প্ৰতিভুতি বজাৰত অনৈতিক আৰু অসৎ কৰ্ম যেনে ভুল বিবৃতি, কাৰচাজি, দৰৰ কাৰচাজি ইত্যাদি প্ৰতিৰোধ কৰা।

(খ) ভিতৰুৱা তথ্যৰ আগতীয়াকৈ খবৰ লৈ প্ৰতিভুতিৰ দামৰ কাৰচাজি নিয়ন্ত্ৰণ কৰা।

(গ) বিনিয়োগকাৰীৰ সুৰক্ষাৰ বাবে পদক্ষেপ লোৱা।

(ঘ) নৈতিক কাম-কাজৰ উত্তৰণ ঘটোৱা আৰু প্ৰতিভুতি বজাৰৰ কাৰ্যৰ মান নিৰ্ধাৰণ কৰা।

১০.৭.৩ প্ৰতিভুতি চুক্তি (নীতি) আইন ১৯৫৬ৰ অধীনত ভাৰতীয় প্ৰতিভুতি আৰু বিনিময় বোৰ্ডৰ অতিৰিক্ত কাৰ্য

প্ৰতিভুতি চুক্তি (নীতি) আইন ১৯৫৬ যিখন প্ৰতিভুতিৰ অবাঞ্ছনীয় লেন-দেন ৰোধ কৰাৰ বাবে আৰু প্ৰতিভুতিৰ ব্যৱসায় নিয়ন্ত্ৰণ কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰে ভাৰতীয় প্ৰতিভুতি আৰু বিনিময় বোৰ্ডক প্ৰদান কৰিছে। সেইবোৰ হ'ল—

(ক) নিৰ্দিষ্ট সময়ৰ মুৰে মুৰে কাৰ্যবিৱৰণী আৰু প্ৰত্যক্ষ অনুসন্ধান কৰা (ধাৰা-৬) ঃ প্ৰতিভুতি চুক্তি (নীতি) আইনৰ অধীনত প্ৰতিভুতি আৰু বিনিময় বোৰ্ডক প্ৰত্যেক ষ্টক বিনিময় কেন্দ্ৰই তেওঁলোকৰ কাম-কাজৰ বিৱৰণী নিয়মীয়াকৈ জনাব লাগিব।

(খ) ষ্টক বিনিময় কেন্দ্ৰৰ বিধি গৃহীত কৰাৰ ক্ষমতা ঃ প্ৰতিভুতি চুক্তি (নীতি) আইনৰ ধাৰা ৯ৰ অধীনত প্ৰতিভুতি আৰু বিনিময় বোৰ্ডৰ আগতিয়া অনুমোদন সাপেক্ষে নিয়ন্ত্ৰণ আৰু চুক্তি নিয়ন্ত্ৰণ কৰিবলৈ নিজা বিধি প্ৰস্তুত কৰিবলৈ অধিকাৰ দিব পাৰে।

(গ) স্বীকৃত ষ্টক বিনিময় কেন্দ্ৰৰ বিধি প্ৰস্তুত কৰা বা সংশোধন কৰাৰ ক্ষমতা

(ধাৰা - ১০) ঃ প্ৰতিভুতি বিনিময় বোৰ্ডে প্ৰতিভুতি বিনিময় কেন্দ্ৰৰ পৰিচালনা সমিতিৰ লিখিত অনুৰোধ মৰ্মে বা বোৰ্ডে নিজাকৈ ধাৰা ৯ অনুসৰি ষ্টক বিনিময় কেন্দ্ৰৰ বিধি প্ৰস্তুত কৰিব পাৰে।

(ঘ) **প্ৰতিভুতিৰ ব্যৱসায়ীসকলক কিছুমান ক্ষেত্ৰত অনুজ্ঞাপত্ৰ প্ৰদান কৰা (ধাৰা - ১৭) ঃ** ভাৰতীয় প্ৰতিভুতি আৰু বিনিময় বোৰ্ডে যিকোনো ব্যক্তিক ভাৰতবৰ্ষৰ যিকোনো ৰাজ্যত প্ৰতিভুতিৰ ব্যৱসায় কৰিবলৈ অনুজ্ঞাপত্ৰ দিয়াৰ ক্ষমতা আছে যদিহে প্ৰতিভুতি চুক্তি (নীতি) আইনৰ ১৩ নং ধাৰা উক্ত স্থানত প্ৰযোজ্য নহয়।

(ঙ) ধাৰা ২ (n) (ie) অনুসৰি ৰাজহুৱা বিলি আৰু প্ৰতিভুতিৰ তালিকাভুক্তিকৰণ।

(চ) **দায়িত্ব দিয়াৰ অধিকাৰ ঃ** কেন্দ্ৰীয় চৰকাৰে প্ৰতিভুতি চুক্তি (নীতি) আইনৰ অধীনত পোৱা ক্ষমতাসমূহ চৰকাৰী ৰাজপত্ৰিকাত প্ৰকাশ কৰি তেনে ক্ষমতাসমূহ ভাৰতীয় প্ৰতিভুতি বোৰ্ড বা ৰিজাৰ্ভ বেংকলৈ হস্তান্তৰ কৰিব পাৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ঃ ভাৰতীয় প্ৰতিভুতি আৰু বিনিময় বোৰ্ডৰ দুটা ক্ষমতা উল্লেখ কৰক।

.....

.....

১০.৭.৪ ভাৰতীয় প্ৰতিভুতি আৰু বিনিময় বোৰ্ড আৰু প্ৰতিভুতি বজাৰৰ নিয়ন্ত্ৰণ

ভাৰতীয় প্ৰতিভুতি আৰু বিনিময় বোৰ্ডে মূলধন সংগ্ৰহ কৰিবলৈ আৰু বিনিয়োগকাৰীৰ স্বাৰ্থ সুৰক্ষিত কৰিবলৈ কিছুমান চৰ্ত নিৰ্ধাৰণ কৰি দিয়ে। বিলিকৰ্তাসকলে বিষদভাৱে তথ্য প্ৰকাশ কৰিবলগীয়া হোৱাৰ বাবে বিনিয়োগকাৰীসকলে উচিত বিনিয়োগৰ সিদ্ধান্ত গ্ৰহণ কৰিব পাৰে আৰু বিলিকৰ্তাসকলৰ মান উচ্চ হৈ থাকে। SEBI এ চলিত কোম্পানীসমূহৰ বাবে বিনিয়োগকাৰীসকলৰ স্বাৰ্থ সুৰক্ষিত কৰিবৰ বাবে মান নিৰ্ধাৰণ কৰে। বিনিয়োগকাৰীসকলে যাতে সুস্থ আৰু উচ্চমান সম্পন্ন সেৱা লাভ কৰে তাৰ বাবে SEBI এ উপযুক্ত সংস্থাকহে মূলধনী বজাৰত মধ্যস্থতাকাৰী হিচাপে কাম কৰিলৈ অনুমতি দিয়ে। এই ক্ষেত্ৰত এইবোৰৰ পঞ্জীয়নৰ বাবে ই এক বিশাল আৰু অভিন্ন মান কিছুমান নিৰ্ধাৰণ কৰি দিছে। আনহাতে বজাৰত সততা বৰ্তাই ৰাখিবলৈ SEBI এ ন্যায়সংগত বজাৰ আচৰণৰ বাবে কিছুমান মান নিৰ্ধাৰণ কৰি দিছে। গৌণ বজাৰত বিনিয়োগকাৰীৰ স্বাৰ্থ সুৰক্ষিত কৰাৰ বাবে মান নিৰ্ধাৰণ কৰি দিছে। SEBI য়ে সমুহীয়া বিনিয়োগ আঁচনি আৰু যৌথ পুঁজিৰ বাবে কিছুমান চৰ্ত আৰোপ কৰিছে। SEBI য়ে সদায় বিনিয়োগৰাকীৰসকলৰ মাজত মনোবল দৃঢ় কৰিবলৈ বজাৰত এক সুস্থ বাতাবৰণ সৃষ্টি কৰিব চেষ্টা কৰি আহিছে আৰু তাৰ দ্বাৰা মূলধনী বজাৰ

বিশেষকৈ প্ৰতিভুতি বজাৰখনৰ বিস্তাৰ কৰাৰ চেষ্টা কৰি আহিছে। SEBI ৰ হস্তক্ষেপে লেনদেনসমূহ সঠিকভাৱে আৰু কাৰচাজি কম হোৱাত সহায় কৰিছে। কিন্তু সঘনাই নহ'লেও এক বৃহৎ পৰিমাণৰ অনৈতিক লেন-দেন প্ৰতিভুতি বজাৰত হৈ আছে। উদাৰণ স্বৰূপে ১৯৯২ চনৰ হৰ্ষদ মেহতাই ব্যক্তিগত মুনাফাৰ বাবে বেংকৰ পৰা ঋণ লৈ অংশত বিনিয়োগ কৰাৰ কেলেংকাৰী, ১৯৯৬ চনত বানচালীয়ে ভুৱা প্ৰতিষ্ঠানৰ নামত স্থায়ী জমা, যৌথ পুঁজি আৰু ঋণ পত্ৰৰ যোগেদি ৰাইজৰ পৰা ধন সংগ্ৰহ কৰা কেলেংকাৰী, ২০০১ চনত কেটন পাৰীয়ে অংশৰ দৰৰ কাৰচাজি কৰিবলৈ বেংকৰ পৰা ঋণ লোৱা কেলেংকাৰী, ২০১০ চনত চাহাৰাৰ প্ৰমুখ সুব্ৰত ৰয়ে কোনো আইন কানুন, নীতি নিয়ম নমনাকৈ ২৯.৬ মিলিয়ন লোকলৈ হাউচিং ব'ণ্ড জাৰী কৰাৰ ঘটনা ইত্যাদি।

SEBI ৰ কাম-কাজ

SEBI ৰ কাম-কাজসমূহ তলত উল্লেখ কৰা হ'ল—

(ক) তথ্য প্ৰকাশৰ মানসমূহ উন্নত কৰি বজাৰত অধিক স্বচ্ছতা অনা।

(খ) ব্যৱসায়িক প্ৰশাসনৰ মান উন্নত কৰা।

(গ) পৰ্যায়ক্ৰমে ৰোলিং চেটেলমেণ্ট পদ্ধতি আৰু অংশপত্ৰসমূহ ভৌতিক ৰূপৰ পৰা ইলেক্ট্ৰনিক ৰূপত পৰিৱৰ্তন কৰা পদ্ধতিটো (dematerialization) খৰতকীয়া কৰি বজাৰৰ দক্ষতা বৃদ্ধি কৰা।

(ঘ) মাৰ্জিন পদ্ধতিৰ সংশোধন কৰি লেন-দেনৰ খৰচ হ্ৰাস কৰা।

(ঙ) নিৰীক্ষণ প্ৰক্ৰিয়া খৰতকীয়া কৰি আৰু দক্ষ মাৰ্জিন ব্যৱস্থাৰ দ্বাৰা বজাৰৰ সুৰক্ষা উন্নত কৰা।

ভাৰতীয় প্ৰতিভুতি বজাৰৰ সৰ্বাংগীন উন্নতিৰ বাবে SEBI এ তলত দিয়া ক্ষেত্ৰসমূহ চিনাক্ত কৰিছে—

(ক) ষ্টক দালালসমূহৰ পঞ্জীয়ন।

(খ) মাৰ্চেণ্ট বেংকাৰৰ স্বীকৃতি।

(গ) যৌথ পুঁজি ব্যৱসায়ৰ নিয়ন্ত্ৰণ আৰু পৰিদৰ্শন।

(ঘ) পোৰ্টফ'লিও পৰিচালকৰ নিয়মাৱলী।

(ঙ) তথ্য প্ৰকাশ আৰু বিনিয়োগকাৰীৰ স্বাৰ্থ সুৰক্ষাৰ বাবে নিয়মাৱলী প্ৰস্তুত।

১০.৮ বীমা নিয়ন্ত্ৰণ আৰু উন্নয়ন প্ৰাধিকৰণ (INSURANCE REGULATORY AND DEVELOPMENT AUTHORITY)

ভাৰত চৰকাৰে দেশৰ নাগৰিকসকলক উন্নত বীমা সেৱাৰ যোগান ধৰিবলৈ আৰু দীৰ্ঘকালীন বিনিয়োগ উন্নত কৰিবৰ বাবে বীমা খণ্ডৰ সংস্কাৰ সাধন কৰিবলৈ ভাৰতীয় ৰিজাৰ্ভ বেংকৰ অৱসৰপ্ৰাপ্ত গভৰ্ণৰ R. N. Malhotra ৰ অধ্যক্ষতাত এখন সমিতি গঠন কৰি দিয়ে। কমিতিৰ প্ৰতিবেদনত আন্তঃৰাষ্ট্ৰীয় মান সম্পন্ন এটা দক্ষ বিত্তীয় ব্যৱস্থা স্থাপনৰ উপদেশ দিয়ে।

ব্যক্তিগতকৰণ নীতিৰ লগত খাপ খোৱাকৈ বীমা খণ্ডৰ নিয়ন্ত্ৰণত সংশোধন আনিবলৈ উপদেশ দিয়ে। কেন্দ্ৰীয় চৰকাৰে কমিতিখনৰ উপদেশ অনুসৰি আগৰ বীমা আইন ১৯৩৮ৰ গঠন স্থাপন কৰা বীমা নিয়ন্ত্ৰকৰ ঠাইত ১৯৯৬ চনত অস্থায়ীভাৱে বীমা নিয়ন্ত্ৰণ আৰু উন্নয়ন প্ৰাধিকৰণ স্থাপন কৰে। শেষত ১৯৯৯ চনত বীমা নিয়ন্ত্ৰণ আৰু উন্নয়ন প্ৰাধিকৰণ আইন গৃহীত কৰি বীমা নিয়ন্ত্ৰণ আৰু উন্নয়ন প্ৰাধিকৰণ (IRDA) স্থাপনৰ সিদ্ধান্ত লোৱা হৈছিল। ভাৰতবৰ্ষত বীমা খণ্ড উদাৰীকৰণৰ পিছত বীমা কোম্পানীৰ কাম-কাজ নিয়ন্ত্ৰণ আৰু পৰিদৰ্শন বীমা উন্নয়ন আৰু নিয়ন্ত্ৰণ প্ৰাধিকৰণে কৰি আহিছে। যাৰ মুখ্য কাৰ্যালয় হাইদৰাবাদত। নিয়ন্ত্ৰণ গাঁথনিটোৰ মূলতঃ তলত দিয়া তিনিটা দিশত গুৰুত্ব প্ৰদান কৰিছে—

(ক) গ্ৰাহকসকলৰ স্বাৰ্থ সুৰক্ষিত কৰা।

(খ) বীমা উদ্যোগটোৰ বিত্তীয় শক্তি নিশ্চিত কৰা ৰাজহুৱা আৰু ব্যক্তিগত খণ্ডৰ সম উন্নয়নৰ দ্বাৰা।

(গ) বীমা খণ্ডৰ উন্নতিৰ পথ সুগম কৰা।

বীমা নিয়ন্ত্ৰণ আৰু উন্নয়ন প্ৰাধিকৰণৰ দ্বাৰা বীমা ব্যৱসায় নিয়ন্ত্ৰণৰ প্ৰয়োজনীয়তা

যিকোনো উদ্যোগ য'ত ৰাইজৰ সহযোগ বেছি সেইবোৰ এটা নিয়ন্ত্ৰকৰ অধীনত থাকে কাৰণ তেনে উদ্যোগ এটা বন্ধ হৈ গ'লে দেশৰ অৰ্থনীতিত এক গভীৰ বিৰূপ প্ৰভাৱ পৰিব। বীমা ব্যৱসায়টো হৈছে পলিচি ধাৰকসমূহৰ পৰা টকা সংগ্ৰহ কৰা, সেই টকাবোৰ উচিতভাৱে বিনিয়োগ কৰা, পলিচি ধাৰকসমূহৰ প্ৰতি থকা দায়িত্বৰ পালন কৰা আৰু উন্নত মানৰ সেৱাৰ যোগান ধৰাৰ লগত জড়িত। এই সেৱাসমূহ যোগান ধৰা কোম্পানীসমূহে তেওঁলোকৰ প্ৰতিশ্ৰুতিৰ প্ৰতি দায়বদ্ধ হৈ থকাটো প্ৰয়োজনীয়। তেনে প্ৰতিষ্ঠানসমূহে প্ৰতিশ্ৰুতি পালনত ব্যৰ্থ হ'লে বিত্তীয় ব্যৱস্থাত এক বিৰূপ প্ৰভাৱ পৰে। বীমা খণ্ডৰ উদাৰীকৰণ, ব্যক্তিগত খণ্ডৰ আগমন, বৃহৎ সংখ্যক গ্ৰাহক আৰু উচ্চ ক্ষতি-শংকাৰ বাবে ভাৰত চৰকাৰে ১৯৯৯ চনত বীমা নিয়ন্ত্ৰণ আৰু উন্নয়ন প্ৰাধিকৰণ স্থাপন কৰে।

১০.৮.১ বীমা নিয়ন্ত্ৰণ আৰু উন্নয়ন প্ৰাধিকৰণৰ ক্ষমতা আৰু কাৰ্যৱলী

IRDA ৰ ধাৰা ১৪ অধীনত বীমা নিয়ন্ত্ৰণ আৰু উন্নয়ন প্ৰাধিকৰণক তলত দিয়া ক্ষমতাসমূহ দিয়া হৈছে—

(ক) বীমা কোম্পানীসূহক পঞ্জীয়ন প্ৰমাণ পত্ৰ প্ৰদান কৰা আৰু পঞ্জীয়ন প্ৰমাণ পত্ৰ নবীকৰণ কৰা, পৰিৱৰ্তন কৰা, প্ৰত্যাহাৰ কৰা আৰু বাতিল কৰা।

(খ) পলিচি, মনোনীত কৰা, বীমাযোগ্য স্বাৰ্থ, দাবী নিষ্পত্তি, স্বত্ব ত্যাগৰ মূল্য আৰু বীমা পলিচিৰ অন্যান্য চৰ্তৰ লগত জড়িত পলিচি ধাৰকৰ স্বাৰ্থসমূহ সুৰক্ষিত কৰা।

(গ) বীমা অভিকৰ্তা আৰু মধ্যভোগীসকলৰ প্ৰয়োজনীয় অৰ্হতা, প্ৰশিক্ষণ আৰু আচৰণ

বিধিসমূহ নির্দিষ্ট কৰা।

(ঘ) পৰিদর্শনকাৰী আৰু ক্ষতিৰ মূল্য নির্ণয়ক ব্যক্তিৰ আচৰণ বিধিসমূহ নির্দিষ্ট কৰা।

(ঙ) বীমা ব্যৱসায়ত দক্ষতাৰ বিকাশ ঘটোৱা।

(চ) বীমা আৰু পুনঃ বীমাৰ লগত জড়িত বৃত্তিগত অনুষ্ঠানসমূহৰ বিকাশ ঘটোৱা আৰু নিয়ন্ত্রণ কৰা।

(ছ) আইনখনৰ ধাৰাসমূহ পালন কৰিবলৈ আৰু আইনৰ ধাৰাসমূহ পৰিচালনা কৰিবলৈ মাচুল আৰোপ কৰা।

(জ) বীমা কোম্পানীসমূহ মধ্যভোগী আৰু অন্যান্য বীমাৰ লগত জড়িত অনুষ্ঠানসমূহৰ পৰা তথ্য সংগ্রহ কৰা আৰু পৰিদর্শন কৰা।

(ঝ) সাধাৰণ বীমা কোম্পানীসমূহৰ হাৰসমূহ আৰু চর্তসমূহ নিয়ন্ত্রণ কৰা।

(ঞ) বীমা কোম্পানী আৰু মধ্যস্থতাকাৰীসমূহে কি ধৰণে হিচাপ ৰাখিব তাৰ মান আৰু প্র-পত্র নির্ধাৰণ কৰা।

(ট) বীমা কোম্পানীসমূহে কৰা বিনিয়োগৰ নিয়ন্ত্রণ কৰা।

(ঠ) স্বচ্ছল অৱস্থা বর্তাই ৰাখিবলৈ এটা সীমা নিয়ন্ত্রণ কৰা।

(ড) বীমা কোম্পানী আৰু মধ্যস্থতাকাৰীসমূহৰ মাজৰ বিবাদ নিষ্পত্তি কৰা।

(ঢ) মাছুল পৰামর্শদাতা কমিটীৰ কাম-কাজ পৰিদর্শন কৰা।

(ণ) বৃত্তিগত অনুষ্ঠান স্থাপন আৰু নিয়ন্ত্রণ কৰিবলৈ প্রিমিয়ামৰ কিমান অংশ খৰচ কৰা হ'ব তাক নির্ধাৰণ কৰা।

(ত) বীমাকাৰীসকলে বীমা ব্যৱসায়ৰ কিমান শতাংশ গ্রাম্য আৰু সামাজিক ক্ষেত্রত কৰিব তাক নির্ধাৰণ কৰা।

(থ) বিধান দিয়া অন্য কোনো কার্য।

১০.৯ পেঞ্চন পুঁজি নিয়ন্ত্রণ আৰু উন্নয়ন প্রাধিকৰণ (Pension Fund Regulatory Development Authority)

পেঞ্চন পুঁজি নিয়ন্ত্রণ আৰু উন্নয়ন প্রাধিকৰণ (PFRDA) ১০ অক্টোবৰ ২০০৩ তাৰিখে বৃদ্ধ আয়ৰ সুৰক্ষা প্রদান কৰিবলৈ আৰু ৰাষ্ট্রীয় পেঞ্চন আঁচনিত টকা জমা থোৱাসকলৰ স্বার্থ সুৰক্ষিত কৰিবলৈ (PFRDA) স্থাপন কৰা হৈছিল। কেন্দ্রীয় চৰকাৰে ১ জানুৱাৰী ২০০৪ চনৰ পৰা কার্যকৰী হোৱাকৈ ৰাষ্ট্রীয় পেঞ্চন আঁচনি আৰম্ভ কৰে। ১ মে' ২০০৯ তাৰিখৰ পৰা এই আঁচনিখন নৱ নিযুক্ত কেন্দ্রীয় চৰকাৰৰ চাকৰিয়াল (সশস্ত্র বাহিনীক বাদ দি), ৰাজ্যিক কর্মচাৰী স্বতন্ত্র অনুষ্ঠানৰ কর্মচাৰী (নিজা টকা অনুসৰি) আৰু ভাতবর্ষৰ সমূহ নাগৰিক স্বেচ্ছাই এই আঁচনিৰ অন্তর্ভুক্ত হ'ব পাৰে। বিভিন্ন প্রকাৰৰ মধ্যস্থতাকাৰীসকল যেনে কেন্দ্রীয় তথ্য সংগ্রহকাৰী এজেঞ্চী, পেঞ্চন পুঁজি পৰিচালক, জিম্মাদাৰ ৰাষ্ট্রীয় পেঞ্চন আঁচনি ট্রাষ্টি বেংক, ইত্যাদিক নিযুক্তি দিয়াৰ

দায়িত্ব PFRDA ৰ। বৰ্তমান PFRDA ৰাষ্ট্রীয় পেঞ্চন আঁচনিৰ লগতে অটল পেঞ্চন যোজনা নিয়ন্ত্রণ আৰু প্রশাসন কৰি আছে।

১০.৯.১ PFRDA ৰ কার্য আৰু ক্ষমতা

(ক) ৰাষ্ট্রীয় পেঞ্চন আঁচনিৰ লগতে অন্যান্য পেঞ্চন আঁচনিসমূহৰ নিয়ন্ত্রণ আৰু সুশৃংখলিতভাৱে উন্নীত কৰা।

(খ) মধ্যস্থতাকাৰীসকল পঞ্জীয়ন কৰা।

(গ) মধ্যস্থতাকাৰীসকলৰ স্বার্থ সুৰক্ষিত কৰা।

(ঘ) পেঞ্চন পদ্ধতিৰ লগত জড়িত বৃত্তিগত প্রতিষ্ঠান স্থাপন কৰা, গৱেষণা আৰু প্রকল্পসমূহক উদগণি জগোৱা।

(ঙ) মধ্যস্থতাকাৰীসকলৰ মাজৰ আৰু মধ্যস্থতাকাৰী আৰু গ্রাহকসকলৰ মাজৰ বিবাদ মীমাংসা কৰা।

(চ) পৰিদর্শন, অনুসন্ধান, হিচাপ পৰীক্ষণ ইত্যাদি কৰাৰ অধিকাৰ।

(ছ) কোনো নথি বা ব্যক্তিক পৰীক্ষা কৰাৰ ক্ষেত্রত দেৱানী আদালতৰ ক্ষমতা।

(জ) দখল লোৱা, বাধা দিয়াৰ ক্ষমতা।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ঃ IRDA ৰ দুটা ক্ষমতা উল্লেখ কৰক।

.....

.....

প্রশ্ন নং ৫ঃ PFRDA ৰ দুটা ক্ষমতা উল্লেখ কৰক।

.....

.....



১০.১০অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ (LET US SUM UP)

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- বিত্তীয় নিয়ন্ত্রণৰ প্রধান উদ্দেশ্য হ'ল বিত্তীয় বজাৰৰ সততা ৰক্ষা কৰা।
- ভাৰতীয় ৰিজার্ভ বেংক হৈছে বেংক ব্যৱস্থাৰ প্রধান নিয়ন্ত্রক। বেংকসমূহক নিয়ন্ত্রণ কৰিবলৈ

ৰিজাৰ্ভ বেংকে ৰিজাৰ্ভ বেংক আইন ১৯৩৫ আৰু বেংকিং ৰেগুলেচন আইন ১৯৪৯ ৰ অধীনত ক্ষমতা পাইছে।

- ভাৰতীয় প্ৰতিভুতি আৰু বিনিময় বোৰ্ড আইন ১৯৯২ৰ অধীনত SEBI ক মূলধনী বজাৰ নিয়ন্ত্ৰৰ ক্ষমতা প্ৰদান কৰিছে।
- বীমা খণ্ডৰ উদাৰীকৰণ, ব্যক্তিগত খণ্ডৰ আগমন, বৃহৎ সংখ্যক গ্ৰাহক আৰু উচ্চ ক্ষতি শংকাৰ বাবে ভাৰত চৰকাৰে ১৯৯৯ চনত IRDA স্থাপন কৰে।
- PFRDA য়ে ৰাষ্ট্ৰীয় পেঞ্চন আঁচনিৰ লগতে অটল পেঞ্চন যোজনা নিয়ন্ত্ৰণ আৰু প্ৰশাসন কৰি আছে।



১০.১১ অধিক জানিবলৈ (FURTHER READINGS)

১) Batra G.S. (2002). Financial services and markets. New Delhi, Deepand Deep Publication Pvt. Ltd.

২) Mishkin,Frederic S. (2007) Financial Markets and Institutions. New Delhi, Pearson Education Ltd.

৩) Srivastava, R.M. (2009). Management of Indian financial institutions. New Delhi, Himalaya Publishing House.

৪) Khan, M. Y. (2007). Indian Financial System. New Delhi. Tata McGraw Hill.

৫) Pathak, Bharati V (2006). The Indian Financial System : Markets, institutions and services. New Delhi, Pearson Education Ltd.



১০.১২ অগ্ৰগতিৰ খতিয়ান (ANSWERS TO CHECK YOUR PROGRESS)

১ নং প্ৰশ্নৰ উত্তৰঃ বিত্তীয় নিয়ন্ত্ৰণৰ দুটা উদ্দেশ্য হ'ল

(ক) বিত্তীয় সেৱাৰ গ্ৰাহকসমূহৰ আৰু বিনিয়োগকাৰীসকলৰ স্বাৰ্থ সুৰক্ষিত কৰা।

(খ) বিত্তীয় ব্যৱস্থাৰ সুস্থিৰতা নিশ্চিত কৰা।

২ নং প্ৰশ্নৰ উত্তৰঃ ভাৰতীয় ৰিজাৰ্ভ বেংকৰ দুটা ক্ষমতা হ'ল—

(ক) অনুজ্ঞাপত্ৰ প্ৰদানৰ ক্ষমতা

(খ) বেংকিং বোর্ড বা ব্যক্তিক নিয়োগ কৰা বা অপসাৰণ কৰাৰ ক্ষমতা

৩ নং প্ৰশ্নৰ উত্তৰঃ SEBI ৰ দুটা ক্ষমতা হ'ল—

(ক) নির্দিষ্ট সময়ৰ মুৰে মুৰে কার্যবিৱৰণী আৰু প্রত্যক্ষ অনুসন্ধান কৰা

(খ) ষ্টক বিনিময় কেন্দ্রৰ বিধি গৃহীত কৰাৰ ক্ষমতা

৪ নং প্ৰশ্নৰ উত্তৰঃ IRDA ৰ দুটা ক্ষমতা হ'ল—

(ক) বীমা কোম্পানীসূহক পঞ্জীয়ন প্রমাণ পত্র প্রদান কৰা আৰু পঞ্জীয়ন প্রমাণ পত্র নবীকৰণ কৰা, পৰিৱর্তন কৰা, প্রত্যাহাৰ কৰা আৰু বাতিল কৰা।

(খ) পলিচি, মনোনীত কৰা, বীমাযোগ্য স্বার্থ, দাবী নিষ্পত্তি, স্বত্ব ত্যাগৰ মূল্য আৰু বীমা পলিচিৰ অন্যান্য চর্তৰ লগত জড়িত পলিচি ধাৰকৰ স্বার্থসমূহ সুৰক্ষিত কৰা।

৫ নং প্ৰশ্নৰ উত্তৰঃ PFRDA ৰ দুটা ক্ষমতা হ'ল—

(ক) ৰাষ্ট্রীয় পেঞ্চন আঁচনিৰ লগতে অন্যান্য পেঞ্চন আঁচনিসমূহৰ নিয়ন্ত্রণ আৰু সুশৃংখলিতভাৱে উন্নীত কৰা।

(খ) মধ্যস্থতাকাৰীসকল পঞ্জীয়ন কৰা।



১০.১৩ আৰ্হি প্ৰশ্ন (MODEL QUESTIONS)

প্ৰশ্ন ১ঃ SEBI ৰ কার্যৱলী আলোচনা কৰক।

প্ৰশ্ন ২ঃ ভাৰতীয় ৰিজার্ভ বেংকৰ নিয়ন্ত্রণমলূক কার্যবোৰ আলোচনা কৰক।

প্ৰশ্ন ৩ঃ IRDA আৰু PFRDA ৰ কার্য আৰু ক্ষমতা আলোচনা কৰক।

প্ৰশ্ন ৪ঃ ভাৰতীয় বিত্তীয় বজাৰৰ নিয়ন্ত্রণ ব্যৱস্থাৰ ব্যাখ্যা কৰক।

*** ***** ***



প্রসঙ্গ পুথি (REFERRENCES)

১) Batra G.S. (2002). Financial services and markets. New Delhi, Deep and Deep Publication Pvt. Ltd.

২) Mishkin,Frederic S. (2007) Financial Markets and Institutions. New Delhi, Pearson Education Ltd.

৩) Srivastava, R.M. (2009). Management of Indian financial institutions. New Delhi, Himalaya Publishing House.

৪) Khan, M. Y. (2007). Indian Financial System. New Delhi. Tata McGraw Hill.

৫) Pathak, Bharati V (2006). The Indian Financial System : Markets, institutions and services. New Delhi, Pearson Education Ltd..

৬) Sarma, Ashok Kumar (2006). Mudra aru Bharatiya Bittiya Byabstha. Guwahati,Kalyani Publishers